1 (Sem–4/FYUGP) ASS 42 MN/(A)

**2 0 2 6**

ASSAMESE

( Minor )

Paper : ASS4400604MN

( ভাষাবিজ্ঞান পৰিচয় )

( Set–A )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। অতি চমু উত্তৰ লিখা : ১×৮=৮

(ক) আধুনিক ভাষা-বিজ্ঞানৰ পিতৃ বুলি কাক অভিহিত কৰা হয় ?

(খ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা ?

(গ) ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত এটা ক্ৰেওলৰ নাম লিখা।

(ঘ) *A Study on Kamrupi : A Dialect of Assamese* নামৰ গ্ৰন্থখনৰ ৰচক কোন ?

(ঙ) মান্য ভাষা বুলিলে কি বুজা?

(চ) 'ধাননি'—এই শব্দটোত থকা বদ্ধ প্ৰাকৃতিটো কি?

(ছ) 'Oral cavity'ক অসমীয়াত কি নামেৰে জনা যায়?

(জ) এবিধ উচ্চাৰণকৰণ বাগিন্দ্ৰিয়ৰ নাম লিখা।

২। চমু উত্তৰ লিখা (যি কোনো ছয়টা) : ২×৬=১২

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory phonetics) বুলিলে কি বুজা?

(খ) সংযোগী ভাষা মানে কি?

(গ) ভাষাবিজ্ঞানত যাদৃচ্ছিকতা শব্দটোৰে কি বুজায়?

(ঘ) বদ্ধৰূপ বুলিলে কি বুজা?

(ঙ) ধ্বনি পৰিৱৰ্তনৰ দুটা কাৰণ উল্লেখ কৰা।

(চ) অসমীয়া ভাষাত শব্দ-বিভক্তি কেইবিধ? অসমীয়া ভাষাত অপাদান কাৰকৰ বিভক্তি আছেনে?

(ছ) অসমীয়া ভাষাৰ অৰ্ধস্বৰ দুটা কি কি?

(জ) 'Morph' আৰু 'Ology' শব্দ দুটাই কি বুজায়?

(ঝ) *Course de Linguistics Genarale* গ্ৰন্থখনৰ ৰচক কোন? গ্ৰন্থখন কোন চনত প্ৰকাশিত হৈছিল?

(ঞ) গোৱালপৰীয়া উপভাষাৰ দুটা আঞ্চলিক ৰূপৰ নাম লিখা।





৩। চমুকৈ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) প্ৰায়োগিক ভাষা-বিজ্ঞানৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(খ) ভাষা-বিজ্ঞানক কিয় বিজ্ঞান বোলা হয়, আলোচনা কৰা।

(গ) পৰিস্থিতি নিৰ্দ্ধাৰক উপভাষা (Register language) মানে কি? উদাহৰণসহ ব্যাখ্যা কৰা।

(ঘ) জিভাৰ অংশ আৰু অৱস্থান অনুসৰি বিশিষ্ট স্বৰধ্বনিৰ তালিকাখন প্ৰস্তুত কৰি দেখুওৱা।

(ঙ) অসমীয়া ভাষাৰ উদাহৰণ দি শব্দ-সাধনৰ সৰ্গৰ বিষয়ে আলোচনা কৰা।

(চ) বৰ্ণনাত্মক ভাষা-বিজ্ঞান (Descriptive linguistics) সম্পৰ্কে আলোচনা কৰা।

(ছ) ঐতিহাসিক ভাষা-বিজ্ঞান (Historical linguistics) সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(জ) ব্যক্তিভাষা (Ideolect) সম্পৰ্কে আলোচনা কৰা।

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো দুটা) : ১০×২=২০

(ক) ভাষা-পৰিয়াল মানে কি? কোনটো ভাষা-পৰিয়ালক 'মহান' আখ্যা দিয়া হয়? 'মহান' আখ্যা দিয়াৰ কাৰণসমূহ ব্যাখ্যা কৰা। ২+১+৭=১০

(খ) উপভাষা কাক বোলে ? উপভাষা সৃষ্টিৰ কাৰকসমূহ উল্লেখ কৰি উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই আলোচনা কৰা। ২+৪+৪=১০

(গ) বাক্যতত্ত্ব মানে কি ? পৰম্পৰাগত ধাৰা অনুসৰি অসমীয়া ভাষাৰ বাক্যক কিদৰে শ্ৰেণীবিভাজন কৰিব পাৰি, আলোচনা কৰা। ২+৮=১০

(ঘ) বাগধ্বনিৰ উচ্চাৰণ সম্পৰ্কে উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

(ঙ) 'আধুনিক ভাষাবিজ্ঞান চৰ্চা' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

★★★